# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১০ ডিচেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যাদা প্ৰাপ্ত খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (আঃ)ৰ কামালিয়ত (দক্ষতা) আৰু প্ৰশংসনীয় গুণৰাজিৰ স্মৃতিচাৰণ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ কবুলে ইছলাম সম্পৰ্কে কিছুমান কথা বিভিন্ন প্ৰকাৰে বৰ্ণনা কৰা হৈছে যদিও ঘটনা এটাই সংগঠিত হৈছিল। উছদুল গাবাত উল্লেখ আছে যে আজদ  কবিলাৰ এজন বৃদ্ধ যিজন ইয়ামিনৰ বাসিন্দা আছিল, তেওঁ নিজৰ সত্য সন্ধানী জ্ঞানৰ আলোকত হাৰাম চৰিফত এজন নবীৰ আগমনৰ কথা উল্লেখ কৰিছিল। সেই নবীজনৰ সহায়ক হিচাপে আগবাঢ়ি অহা এজন ব্যক্তিৰ লক্ষণ উল্লেখ কৰিছিল যে তেওঁ হ’ব বয়সীয়াল নাভিৰ  ওপৰ  ভাগত তিল (ক’লা বিন্দু) আৰু উৰুত থাকিব এটা চিহ্ন ক্ষীণকাৰ শৰীৰ হ’ব। এই সকলোবোৰ লক্ষণাৱলী হজৰত আবু  বক্কৰ (ৰাঃ)ৰ মাজত থকা বুলি চিহ্নিত কৰি সেই বৃদ্ধ লোকজনে এখেত (ৰাঃ)ক সতৰ্ক কৰি দিছিল যে হিদায়তৰ বিৰোধ কৰি আঁতৰি নাযাবা। এই দৃষ্টান্ত বিহীন সজবাটত অলৰ-অচৰ থাকি; খোদা প্ৰদত্ত ধনমাল সম্পৰ্কে খোদা তা’লাক ভয় কৰি  চলিবা। হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইয়ামিনৰ পৰা মক্কালৈ ওভতি আহি পোনে পোনে নবী কৰিম (ছাঃ)ৰ ওচৰত গৈ তেখেত (ছাঃ)ৰ দাবীৰ সত্যতা বিচাৰে অৰ্থাৎ তেখেত (ছাঃ)য়ে সঁচাকৈয়ে নবুয়তৰ দাবী  কৰিছেনে সেয়া প্ৰশ্ন কৰে। তেতিয়া নবী কৰিম (ছাঃ)য়ে ইয়ামিনৰ সেই বৃদ্ধ ব্যক্তি জনৰ সৈতে হোৱা হজৰত আবু বক্কৰ (ৰাঃ)ৰ সাক্ষ্য সম্পৰ্কে উনুকিয়ায়; যাৰ ফলত হজৰত আবু বক্কৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ হাত ধৰি সাক্ষী দিয়ে যে আল্লাহৰ বাহিৰে আন কোনো মা’বুদ নাই আৰু আপুনি আল্লাহৰ ৰছুল হয়।

ৰিয়াজুন নাজৰাহত বৰ্ণনা কৰা হৈছে যে হজৰত উম্মে ছালমা (ৰাঃ)য়ে কৈছে যে কুৰাইছৰ লোক সকলে হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিল-তোমাৰ এই লগৰীয়াজন পাগলা হৈছে। তেওঁ লোকক তৌহিদৰ আমন্ত্ৰণ দিয়ে আৰু নিজকে নবী বুলি কয়। এই কথাবোৰ শুনি হজৰত আবু বক্কৰ (ৰাঃ) য়ে লোকৰ আগত কৈছিল যে মই কেতিয়াও মহম্মদ (ছাঃ)ক মিছা কথা কওঁতে শুনা নাই দেখাও নাই। এই বুলি বিনা দ্বিধায় আৰু বিনা প্ৰশ্নত হজৰত আবু বক্কৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ বয়াত কৰি তেখেত (ছাঃ)ৰ সত্যায়ন কৰিছিল আৰু স্বীকাৰ কৰিছিল যে তেখেত (ছাঃ)য়ে যি খবৰ লৈ আনিছে সেয়া সত্য।

আন এটা বৰ্ণনাত উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে মই যিজনকেই ইছলামৰ ফালে মাতিছিলো, সেইজনেই উচাট খাই উঠিছিল; একমাত্ৰ আবু বক্কৰ (ৰাঃ)ৰ বাদে আন সকলোৰে বাবে অপেক্ষা কৰি আছিলো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ কবুলে ইছলামৰ ঘটনা বৰ্ণনা কৰোঁতে এঠাইত এনেদৰে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া নবুয়তৰ দাবী উত্থাপন কৰিছিল;সেই সময়ত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৰবাত বাহিৰলৈ গৈছিল। যেতিয়া ঘৰলৈ ওভতি আহিছিল তেতিয়া তেখেত (ৰাঃ)ৰ এজনী দাসীয়ে জনাইছিল যে তেখেত (ৰাঃ)ৰ এজন বন্ধু হেনো (নাউজুবিল্লাহ) পাগল হৈ গৈছে আৰু তেওঁ হেনো আচৰিত আচৰিত কথা বকি থাকে। তেওঁ কয় তাৰ ওপৰত হেনো আচমানৰ পৰা ফিৰিস্তা অৱতীৰ্ণ হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে দাসীৰ কথা শুনি লগে লগে ৰছুলুল্লাহ (ছাঃ)ৰ ঘৰলৈ আহে। ৰছুলুল্লাহ (ছাঃ)য়ে প্ৰথমে কিছুমান বুজনি মুলক কথা ক'ব বিচাৰে যদিও হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেয়া নুশুনি কয় যে  নহয় নহয় আপুনি কেৱল কওঁক যে এই কথাবোৰ সত্য হয় নে নহয় ? তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে উত্তৰ দিছিল হয় কথাবোৰ সত্য। এই উত্তৰ শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিবেদন কৰিছিল যে মই  আপোনাৰ ওপৰত বিশ্বাস স্থাপন কৰিলোঁ। তাৰ পিছত আৰু কয় যে ইয়া ৰছুলুল্লাহ ! মই আপোনাক প্ৰমাণ ব্যাখ্যা কৰাত বাধা দিয়াৰ কাৰণ হ'ল মই বিচাৰিছিলো যে মোৰ ঈমান অৱলোকনৰ ওপৰত স্থাপিত হওঁক; কোনো প্ৰমাণ আদিৰ ওপৰত যেন ইয়াৰ বুনিয়াদ নহয় কাৰণ আপোনাক সত্যবাদী আৰু পৱিত্ৰ ঈমানদাৰ বুলি বিশ্বাস কৰাৰ পিছত আৰু কোনো দলিল প্ৰমাণৰ প্ৰয়োজন নাথাকে। এনেদৰে যিখিনি কথা মক্কাৰ লোকে লুকাই ৰাখিছিল সেয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ কাৰ্যৰে স্পষ্ট কৰি দেখুৱাইছিল।

ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ সৰলতা,নেকি আৰু তাকওৱাৰ ওপৰত বিশ্বাস ৰখা ডেকা সকলক একগোট কৰি তেওঁলোকক ইছলামৰ আগমন বাৰ্ত্তা সম্পৰ্কে বুজাইছিল আৰু সাতজন মান লোকে ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰিছিল। এই সাতও জন লোক ডেকা আছিল। এওঁলোকৰ বয়স ১২ বছৰৰ পৰা ২৫ বছৰৰ ভিতৰত আছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ তেতিয়াৰে পৰা ডাঙৰ ডাঙৰ সমস্যায় দেখা দিব ধৰিলে। সম্পত্তি আৰু ঘৰ এৰিব লগা হ'ল, আত্মীয় স্বজনকেই হত্যা কৰিব লগা হ'ল তথাপি কিন্তু তেখেত (ৰাঃ)ৰ ভৰি অলৰ-অচৰ থাকিল কেতিয়াও থৰক-বৰক নহ'ল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক ছিদ্দিক উপাধি প্ৰদান কৰিছে। যদি চিন্তা কৰি চোৱা যায় তেন্তে হজৰত আবু বক্কৰ (ৰাঃ)ৰ দৰে ছিদ্দিকৰ দৃষ্টান্ত খুজি পোৱা বিৰল। কোনো ব্যক্তিয়েই যৎপৰনাস্তি জিহাদ কৰিবলৈ আৰু যিমান দূৰ সম্ভৱ দোৱা কৰিবলৈ আৰু আবু বক্কৰি চৰিত্ৰ ৰঙত নহৈ ছিদ্দিকি গুণাৱলী অৰ্জন কৰিব নোৱাৰে বা সক্ষম হ'ব নোৱাৰে। হজৰত আবু বক্কৰ (ৰাঃ) ৰছুলে কৰিম (ছাঃ)ৰ প্ৰথম সাক্ষী হোৱাটো নিজৰ কাৰ্যৰে প্ৰমাণ কৰি দেখুৱাইছে আৰু মৃত্যুৰ সময়লৈকে এই দায়িত্ব পালন কৰি গৈছে আৰু মৰাৰ পিছতও লগ এৰা নাই। হজৰত মছীহ মাওউদ (আঃ)য়ে ছুৰা আৰ-ৰহমানৰ আয়াত وَلِمَنْ خَافَ مَقَامَ رَبِّهٖ جَنَّتٰنِ ﴿٤٧﴾ ৰ তফছিৰ লিখোতে হজৰত আবু বক্কৰ (ৰাঃ)ৰ উদাহৰণ দিছে যে আটাইতকৈ বেছি তাকেই দুঃখ দিয়া হৈছে আৰু আটাইতকৈ বেছি তাকেই অত্যাচাৰ কৰা হৈছে; গতিকে তেখেত (ৰাঃ)কেই সৰ্বপ্ৰথম নবুয়তৰ প্ৰতিনিধিৰ আসনত বহুৱা হৈছে। আল্লাহ তা'লা তেখেতক পুৰস্কৃত কৰি আঁ-হজৰত (ছাঃ)ৰ পিছতেই  প্ৰথম খলিফা নিযুক্ত কৰিছে আৰু পৰকালত আছে তাৰ বাবে জান্নাত।

ইতিহাসবিদ সকলৰ মাজত পুৰুষ সকলৰ ভিতৰত সৰ্বপ্ৰথম বিশ্বাস স্থাপন কৰোঁতা জনৰ বিষয়ে মতানৈক্য আছে। আল্লামা আহমদ বিন আব্দুল্লাহ লিখিছে যে প্ৰথম আৰবীয়ান বয়সীয়াল ব্যক্তি যিজনে ইছলাম গ্ৰহণ কৰি

প্ৰকাশ কৰিছে, তেওঁ হ'ল হজৰত আবু বক্কৰ বিন আবু কাহাফা। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে আবু বক্কৰেই আছিল যিজনে ছুৰ গুহাত নিজকে আঁ-হজৰত (ছাঃ)ৰ আনুগত্যত সম্পূৰ্ণ ভাৱে নিমজ্জিত ৰাখিছিল আৰু তেওঁৰেই আছিল সেই লোক সকলৰ মাজত সৰ্বপ্ৰথম যিসকলে ৰছুল (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰিছিল। ইউৰোপৰ বিখ্যাত ভাষাবিদ স্প্ৰীংগৰ চাহাবে লিখিছে যে আবু বক্কৰে ইছলামৰ আৰম্ভণীত মহম্মদ (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰাটো এই কথাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হয় যে মহম্মদ (ছাঃ)প্ৰৱঞ্চিত কিন্তু প্ৰৱঞ্চনা কৰোঁতা কেতিয়াও নাছিল। ছাৰ উইলিয়াম মেয়ৰেও এই কথাত স্প্ৰীংগৰৰ সৈতে একমত আছিল।

উছদুল গাবাত লিখা আছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ প্ৰেম,নেকি আৰু তাকওৱাৰ কাৰণে এটা জামাতে এখেত (ৰাঃ)ৰ হাতত ইছলাম গ্ৰহণ কৰিছিল। ইমানেই যে দহজন সুসংবাদ প্ৰাপ্ত চাহাবা সকলৰ মাজৰ পাঁচজন চাহাবা অৰ্থাৎ হজৰত উচমান বিন আফফান (ৰাঃ),হজৰত জাবিৰ বিন আউৱাম (ৰাঃ),হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ),হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ),হজৰত তালহা বিন আব্দুল্লাহ (ৰাঃ)আদিয়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত ইছলাম গ্ৰহণ কৰিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে নিজৰ কিতাপ ছিৰাত খাতামাননাবীঈনত লিখিছে যে এওঁলোক সকলোৱে এনেকুৱা মহান আৰু উচ্চ মৰ্যদা সম্পন্ন চাহাবা হৈ পৰিছিল যে চাহাবা সকলৰ ভিতৰত শীৰ্ষতম চাহাবা বুলি পৰিগণিত হৈছিল আৰু সেই দহজন চাহাবাৰ অন্তৰ্গত হৈছিল; যিসকলক আঁ-হজৰত (ছাঃ)য়ে নিজ মুখেৰে জান্নাতৰ সুসংবাদ দিছিল আৰু যিসকলে তেখেত (ছাঃ)ৰ অতি ওচৰৰ চাহাবী আৰু উপদেষ্টা হিচাপে গন্য হৈছিল।

মক্কাৰ কাফিৰ সকলে প্ৰথম অৱস্থাত ইছলাম গ্ৰহণ কৰোঁতা সকলৰ ওপৰত বিভিন্ন ধৰণে অত্যাচাৰ উৎপীড়ন কৰিছিল। কেৱল মাত্ৰ দুৰ্বল আৰু গোলাম মুছলমান সকলেই এই অত্যাচাৰৰ সন্মুখীন হোৱা নাছিল বৰং আঁ-হজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)য়েও নিৰাপদ নাছিল। ছিৰাত হালবিয়াত এটা ঘটনাৰ উল্লেখ আছে এনেদৰে যে কুৰাইছৰ সিংহ আখ্যা পোৱা নুৱাফিল বিন আদবিয়া এবাৰ হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত তালহা (ৰাঃ)ক ইছলামৰ কথা প্ৰকাশ কৰাৰ কাৰণে দুয়োকে ধৰি আনি ৰচীৰে বান্ধি থৈছিল। সেই কাৰণে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত তালহা (ৰাঃ)ক কাৰনায়ন বুলি কোৱা হয় অৰ্থাৎ মিলিত দুই লগৰীয়া। এবাৰ নবী কৰিম (ছাঃ) য়ে মছজিদ হাৰামৰ হাতিমত নমাজ পঢ়ি আছিল, এনেতে উকবা বিন আবি মুইয়েতে আহি আঁ-হজৰত (ছাঃ)ৰ ডিঙিত কাপোৰেৰে মেৰিয়াই টেটু চেপি ধৰিছিল। এনেতে হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাত গৈ উপস্থিত হয় আৰু উকবাক হেঁচা মাৰি নবী কৰিম (ছাঃ)ৰ পৰা আঁতৰাই দিছিল আৰু কৈছিল أَتَقْتُلُونَ رَجُلًا أَنْ يَقُولَ رَبِّيَ اللَّهُ অৰ্থাৎ কিয় তুমি কেৱলমাত্ৰ এই কাৰণেই এজন লোকক হত্যা কৰিবানে যে তেওঁ কয় মোৰ পালনকৰ্ত্তা হ'ল আল্লাহ।

আন এটা বৰ্ণনাত উল্লেখ আছে যে এবাৰ মছজিদ হাৰামত মুশৰিক সকলে ৰছুলুল্লাহ (ছাঃ)ক ঘেৰাও কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই খবৰ পোৱা মাত্ৰেই তাত গৈ উপস্থিত হৈছিল আৰু কৈছিল-

أَتَقْتُلُونَ رَجُلًا أَنْ يَقُولَ رَبِّيَ اللَّهُ وَقَدْ جَاءَكُمْ بِالْبَيِّنَاتِ مِنْ رَبِّكُمْ ۔

অৰ্থাৎ কিয় তুমি কেৱল মাত্ৰ এজন লোকে মোৰ পালনকৰ্ত্তা আল্লাহ বুলি কোৱাত তাক হত্যা কৰিবানে ? আৰু তেওঁ তোমালোকৰ ওচৰত তোমালোকৰ পালনকৰ্ত্তাৰ ফালৰ পৰা প্ৰকাশ্য নিচান লৈ আহিছে। এই কথাখিনি শুনা মাত্ৰেই মুশৰিক সকলে আঁ-হজৰত (ছাঃ)ক এৰি আবু বক্কৰ (ৰাঃ)ক মাৰ-পিট কৰিবলৈ লৈছিল। হজৰত আবু

বক্কৰ (ৰাঃ)ৰ জীয়েক হজৰত আছমা (ৰাঃ)য়ে কৈছে যে এখেত (ৰাঃ)য়ে এনেকুৱা অৱস্থাত আমাৰ ওচৰলৈ আহিছিল যে তেখেত (ৰাঃ)য়ে নিজৰ চুলিত হাত দিয়াৰ লগে লগে হাতৰ লগত চুলি উঠি উঠি আহিছিল আৰু তেখেত (ৰাঃ)য়ে কৈছিল- تَبَارَكْتَ يَاذَا الْجَلَالِ وَالْاِكْرَامِ অৰ্থাৎ হে বুজুগী আৰু সন্মানিত তুমি কল্যাণময়।

হজৰত আলি (ৰাঃ)য়ে কৈছে যে মোৰ লগত যিয়েই লড়াই কৰিছে মই তাকেই পৰাভূত কৰিছোঁ; কিন্তু আটাইতকৈ বলবান হ'ল আবু বক্কৰ (ৰাঃ)। বদৰৰ যুদ্ধত হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ তৰোৱাল হাতত লৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত থিয় হৈ গৈছিল যে যদি কোনো মুশৰিকে আহি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰ পায় তেন্তে তাৰ আগতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ লগত যুঁজ দিব। এবাৰ ৰছুলুল্লাহ (ছাঃ)ক বিৰক্ত কৰা কুৰাইছৰ লোকক হজৰত আবু বক্কৰ (ৰাঃ)য়ে মাৰি পিটি খেদিছিল। হজৰত আলি (ৰাঃ)য়ে কৈছে- আল্লাহৰ শপত ! হজৰত আবু বক্কৰ (ৰাঃ)ৰ এটা ঘণ্টা আলে ফিৰাউনৰ মোমিন ভৰ্ত্তি জমিনতকৈ নেকিৰ ক্ষেত্ৰত উত্তম কাৰণ তেওঁলোকে নিজৰ ঈমান লুকুৱাই ৰাখিছিল আৰু এই ব্যক্তিজন অৰ্থাৎ হজৰত আবু বক্কৰ (ৰাঃ) যিয়ে নিজৰ ঈমানৰ ঘোষণা কৰি গৈছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এবাৰ কিছুমান শত্ৰুৱে নবী কৰিম (ছাঃ)ক অকলে পাই ধৰি লৈছিল আৰু তেখেত (ছাঃ)ৰ গলধনত ৰচীৰে মেৰাই পাক দিবলৈ আৰম্ভ কৰিছিল। অৱস্থা এনেকুৱা হৈ পৰিছিল যে আঁ-হজৰত (ছাঃ)ৰ প্ৰাণবায়ু যাওঁ যাওঁ হৈ পৰিছিল এনেতে হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাত গৈ উপস্থিত হৈছিল আৰু কোনো মতে আঁ-হজৰত (ছাঃ)ৰ প্ৰাণ ৰক্ষা কৰিছিল। এই সুযোগত সেই শত্ৰু সকলে হজৰত আবু বক্কৰ (ৰাঃ)ক ইমানেই মাৰধৰ কৰিছিল যে তেখেতে অচেতন হৈ মাটিত বাগৰি পৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া ইছলাম গ্ৰহণ কৰিছিল তেতিয়া তেখেতে ৪০ হাজাৰ দেৰহামৰ মালিক আছিল। তেখেত (ৰাঃ)য়ে সেইবোৰ আল্লাহৰ বাটত খৰচ কৰিছিল আৰু সাতজন এনেকুৱা গোলামক মুক্তি দিয়াইছিল, যিসকলক আল্লাহৰ বাটত অহাৰ কাৰণে শাস্তি দিয়া হৈছিল। এই দাস সকলৰ ভিতৰত আছিল হজৰত বিলাল (ৰাঃ),হজৰত আমাৰ বিন বণি ফহিৰা (ৰাঃ),হজৰত জিনিয়েৰা (ৰাঃ),হজৰত নাহদিয়া (ৰাঃ) আৰু তাৰ জীয়েক বনি মুৱায়েলৰ এজনী দাসী আৰু উম্মে আবিছ। হজৰত জিনিয়েৰা আছিল ৰোমিয় সকলৰ পৰা সৰ্বপ্ৰথম ইছলাম গ্ৰহণ কৰা মহিলা। যেতিয়া তাই ইছলাম গ্ৰহণ কৰিছিল তেতিয়াৰে পৰা তাইৰ চকুৰ জ্যোতি বেয়া হৈ গৈছিল। এয়া দেখি মুশৰিক সকলে কৈছিল যে লাত আৰু উজ্জাক অস্বীকাৰ কৰাৰ কাৰণে জিনিয়েৰা অন্ধ হৈ গৈছে। এয়া শুনি জিনিয়েৰা কাফিৰ সকলক কৈছিল যে লাত আৰু উজ্জায় মোক কেনেকৈ অন্ধ বনাব; সিহঁত দেখোন নিজেই দেখিবলৈ নাপায়। এয়া আল্লাহৰ ইচ্ছা; মোৰ দৃষ্টি শক্তি গুচি গ'ল। মোৰ সৃষ্টি কৰ্ত্তায় মোৰ দৃষ্টি শক্তি ঘূৰাই দিয়াৰও ক্ষমতা ৰাখে। পিছ দিনাখন পুৱালৈকে তাই এনেদৰেই কটায় আৰু ৰাতিপুৱা বিছনাৰ পৰা উঠি দেখিবলৈ পায় যে আল্লাহ তা'লা তাইৰ দৃষ্টি শক্তি ফিৰাই দিছে। এই অৱস্থা দেখি কুৰাইছ সকলে ক'বলৈ লৈছিল যে এয়া মহম্মদৰ (ছাঃ)ৰ যাদুৰ দ্বাৰা হৈছে। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে জিনিয়েৰা (ৰাঃ)ৰ এই অৱস্থা দেখিছিল তেতিয়া তেখেত (ৰাঃ) তাইক কিনি আনি মুক্ত কৰি দিছিল। এই বৰ্ণনা ইনশা আল্লাহ আগলৈ আৰু চলিব। (আমিন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 10 DECEMBER 2021**

## BOOK POST (PRINTED MATTER)

TO,

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844